# <u>পলিবিয়াছ (খ্ৰীষ্টপূৰ্ব ২০৮–১২৬)</u>

পলিবিয়াছ হেলেনীয় যুগৰ সৰ্বশ্ৰেষ্ঠ ঐতিহাসিক আৰু হেৰোডোটাচ আৰু ঠুকিডিডিচৰ সৈয়ে ত্ৰিত্ব গঠন কৰিব পৰা একমাত্ৰ গ্ৰীক পণ্ডিত। তেওঁৰ বিশাল গ্ৰন্থ *ইতিহাস* ৰোমক সাম্ৰাজ্যৰ বিশ্বশক্তিলৈ উত্তৰণৰ কাহিনী বৰ্ণনা কৰে

**বিষয়বস্তু**

খ্ৰীষ্টপূৰ্ব ২১৯ৰ পৰা ১৬৭লৈ ভূমধ্যসাগৰীয় অঞ্চলত ৰোমে কৰা বিজয় আৰু প্ৰভুত্ব স্থাপনৰ যুগটো পলিবিয়াছৰ গ্ৰন্থৰ কেন্দ্ৰবিন্দু। ৰোমৰ এই অভূতপূৰ্ব সম্প্ৰসাৰণৰ কাৰণ তেওঁ ৰোমান চৰিত্ৰৰ মাজত বিচাৰিছিল—যি "বিপদ আৰু সংকটৰ কঠোৰ শিক্ষাৰ ফলস্বৰূপ গঢ় লৈ উঠিছিল"। তেওঁৰ গ্ৰন্থই ২২১ৰ পৰা ১৪৬ খ্ৰীষ্টপূৰ্বলৈ সমগ্ৰ ভূমধ্যসাগৰীয় বিশ্বৰ ইতিহাসক সামৰি লৈছে, যাৰ মাজেৰে ৰোমৰ ৰাজনৈতিক বিকাশ আৰু সাংবিধানিক পৰিৱৰ্তনৰ চিত্ৰ অংকিত হৈছে। ৰোমক ইতিহাসৰ কেন্দ্ৰবিন্দু হিচাপে গ্ৰহণ কৰি তেওঁ গ্ৰন্থখনক ঐক্য প্ৰদান কৰিছে। পলিবিয়াছৰ *ইতিহাস* ৪০ খণ্ডত বিভক্ত আছিল যদিও মাত্ৰ পাঁচটা সম্পূৰ্ণৰূপে সংৰক্ষিত হৈছে। গ্ৰন্থখনৰ ভাষা হেলেনীয় সাহিত্যৰ মানদণ্ডত নিম্নস্তৰীয় বুলি গণ্য কৰা হয়; হেলিকাৰনাছাছৰ ডায়'নিচিয়াছে কৈছিল—"কোনেও পলিবিয়াছক সম্পূৰ্ণ পঢ়া নাই"।

Ripun Doley

শিক্ষা, ভ্ৰমণ আৰু প্ৰত্যক্ষ অভিজ্ঞতাৰ সমৃদ্ধ পটভূমিৰে পলিবিয়াছ ইতিহাস ৰচনাৰ বাবে আদৰ্শ ব্যক্তি আছিল। তেওঁ দাবী কৰিছিল যে ইতিহাস কেৱল সেইসকলেই লিখিব পাৰে যিয়ে ঘটনাসমূহ প্ৰত্যক্ষ কৰিছে বা প্ৰত্যক্ষদৰ্শীৰ সৈয়ে পোনপটীয়াভাৱে আলোচনা কৰিছে। তেওঁৰ মতে, ঐতিহাসিক হ'ব লাগে ৰাজনীতি, যুদ্ধ আৰু কূটনীতিৰ সৈয়ে পৰিচিত এক কৰ্মদক্ষ ব্যক্তি—নহ'লে ৰাষ্ট্ৰৰ আচৰণ আৰু ইতিহাসৰ গতি বুজিব নোৱাৰি। ভৌগোলিক জ্ঞানৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰি, পলিবিয়াছে তেওঁৰ ভ্ৰমণৰ অভিজ্ঞতাৰ কথা গৰ্বেৰে কৈছে। তেওঁ শিলালিপি, দলিল আদিৰ অধ্যয়নৰ জৰিয়তে তথ্য সংগ্ৰহ কৰিছিল আৰু প্ৰতিটো উৎসৰ সত্যতা পৰীক্ষা কৰিছিল।

**কাৰণাত্মক বিশ্লেষণ**

পলিবিয়াছে ইতিহাসৰ কাৰণ-কাৰ্য সম্বন্ধৰ গভীৰ বিশ্লেষণ আগবঢ়াইছে। তেওঁ কয়—"ঘটনাৰ উল্লেখ কেৱল কৌতূহলজনক; কিন্তু কাৰণৰ ব্যাখ্যা নহ'লে ইতিহাস অধ্যয়ন ফলপ্ৰসূ নহয়।" যুদ্ধৰ *কাৰণ* আৰু *আনুষ্ঠানিক অজুহাত*ৰ মাজত পাৰ্থক্য দেখুৱাই, তেওঁ যুক্তি দৰ্শাইছে যে কাৰণ হৈছে প্ৰাকৃতিক আৰু ইয়াক বৈজ্ঞানিক দৃষ্টিভংগীৰে অধ্যয়ন কৰিব লাগে। যদিও তেওঁ স্টোইক ধৰ্মতত্ত্বৰ ঐশ্বৰিক বিধানত বিশ্বাস কৰিছিল, তথাপি অলৌকিকতাৰ কাহিনীৰ প্ৰতি সন্দিহান আছিল। মানৱ জীৱনৰ অনিশ্চিততা আৰু "ভাগ্য"কো তেওঁ ইতিহাসৰ অংগ হিচাপে স্বীকাৰ কৰিছিল। ব্যক্তিগত ভাৱে মহান ব্যক্তিত্বৰ প্ৰভাৱ স্বীকাৰ কৰিলেও, তেওঁ মূলতঃ নিৰ্ব্যক্তিক কাৰণ-প্ৰক্ৰিয়াৰ ওপৰত গুৰুত্ব দিছিল।

**ইতিহাস অধ্যয়নৰ পদ্ধতি**

পলিবিয়াছৰ মতে, ইতিহাস অধ্যয়নৰ শ্ৰেষ্ঠ পদ্ধতি হৈছে ৰাষ্ট্ৰৰ জীৱনক এক সজীৱ সত্তা হিচাপে চোৱা, য'ত প্ৰতিটো অংশৰ কাহিনী সামগ্ৰিক ইতিহাসৰ সৈয়ে সংযুক্ত। খণ্ডিত ইতিহাস অধ্যয়ন কৰাটো তেওঁ মৃত প্ৰাণীৰ সত্বহীন অংগ চালি চোৱাৰ দৰে বুলি কৈছে। বিশ্বজনীন ইতিহাসৰ অধ্যয়নেহে মানৱ সমাজৰ সম্পূৰ্ণ চিত্ৰ প্ৰদান কৰিব পাৰে।

Ripun Doley

ইতিহাসৰ চক্ৰীয় পুনৰাবৃত্তি (ৰাজতন্ত্ৰ, অভিজাততন্ত্ৰ, গণতন্ত্ৰৰ উত্থান-পতন) আৰু মিশ্ৰ সংবিধানৰ ধাৰণা পলিবিয়াছৰ বিশ্লেষণৰ এক গুৰুত্বপূৰ্ণ অংগ। ৰোমান সংবিধানত তেওঁ ৰাজকীয়, অভিজাত আৰু গণতান্ত্ৰিক উপাদানৰ সুষম সমন্বয় দেখা পাইছিল। এই দৃষ্টিভংগীৰে তেওঁ সমকালীন ৰাজনৈতিক পৰিৱৰ্তনৰ ইতিহাস লিখিছিল।

পলিবিয়াছৰ মতে, ইতিহাস হৈছে "উদাহৰণৰ দ্বাৰা দৰ্শন শিকোৱা এক মাধ্যম"। ইতিহাসক তেওঁ বৰ্তমান আৰু ভৱিষ্যতৰ বাবে এক প্ৰদীপ বুলি গণ্য কৰিছিল—যিয়ে মানুহৰ বিচাৰশক্তি পকী কৰে আৰু শুদ্ধ সিদ্ধান্ত ল'বলৈ সহায় কৰে। তেওঁ কৈছিল—"অতীতৰ জ্ঞানতকৈ উৎকৃষ্ট শিক্ষক নাই; ৰাজনীতিৰ বাবে ইতিহাস অধ্যয়নেই শ্ৰেষ্ঠ প্ৰস্তুতি।"

**মূল্যায়ন**

পলিবিয়াছক "ঐতিহাসিকসকলৰ ঐতিহাসিক" বুলি গণ্য কৰা হয়। **ৱিল ডুৰাণ্টে** তেওঁৰ প্ৰশংসা কৰি কয়—"তেওঁৰ বিশ্বজনীন ইতিহাসৰ দৃষ্টিভংগী, তথ্যৰ ব্যাখ্যাৰ দক্ষতা, আৰু অতীতক বৰ্তমানৰ আলোকস্তম্ভ হিচাপে প্ৰতিষ্ঠা কৰাৰ কাৰণে পলিবিয়াছ চিৰস্মৰণীয়।"

**কলিংউডে** ৰোমৰ বিশ্ববিজয় আৰু পলিবিয়াছৰ বিশ্লেষণক ঐতিহাসিক চিন্তাৰ বাবে গুৰুত্বপূৰ্ণ বুলি মানে। পলিবিয়াছে *ইতিহাস* শব্দটোৰ আধুনিক অৰ্থ প্ৰতিষ্ঠা কৰিছিল—যিয়ে এক বিশেষ ধৰণৰ গৱেষণাক সূচায়। তেওঁ ইতিহাসক কেৱল ৰাজনৈতিক প্ৰশিক্ষণৰ সঁজুলি হিচাপে চাইছিল, যিয়ে বিপদৰ সমুখীন হ'বলৈ মানুহক প্ৰস্তুত কৰে। পলিবিয়াছৰ মতে, ইতিহাসৰ ট্ৰাজেডীয়ে আমাক দুখ সহ্য কৰিবলৈ শিকায়—ভাগ্যৰ পৰিৱৰ্তনক পৰাস্ত কৰিবলৈ নহয়।

পলিবিয়াছে দেখুৱাইছে যে ইতিহাসৰ মূল্য কেৱল অতীতৰ ঘটনা সংৰক্ষণত নহয়, ই মানৱ প্ৰকৃতি আৰু ৰাজনৈতিক নীতিৰ চিৰন্তন সত্যৰ আৱিষ্কাৰত। তেওঁৰ মতে, ভাগ্য মানুহৰ নিয়ন্তা—এই ধাৰণাই ইতিহাসত এক নিৰ্ধাৰণবাদী দৃষ্টিভংগীৰ সূচনা কৰে। আজিও ৰাষ্ট্ৰীয় নীতি আৰু শাসনব্যৱস্থাৰ অধ্যয়নত পলিবিয়াছৰ চিন্তাই প্ৰাসংগিকতা হেৰুৱা নাই।

Ripun Doley

Sources:

Assamese translation from E Sreedharan, ***A Textbook of Historiography 550 BC to AD 2000*** Orient BlackSwan, 2011, page no. 19-23